Series RHB

Code No. **15**

Candidates must write the Code on the title page of the answer-book.

Roll No. | | | | | | | |

- Please check that this question paper contains **10** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains 8 questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minutes time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer script during this period.

## SUMMATIVE ASSESSMENT - II

# ASSAMESE

# অসমীয়া

*Time allowed : 3 hours* | *Maximum Marks : 80*

*সময় : 3 ঘন্টা* | *সৰ্বমোট নম্বৰ : 80*

## SECTION A

1. তলত দিয়া অনুচ্ছেদ কেইটি ভাল দৰে পঢ়ি নিম্নলিখিত প্ৰশ্ন সমূহৰ উত্তৰ লিখা :

(ক) চিন্তা মনৰ জেউতি, তাৰ গুণত আন্ধাৰ সমস্যা পোহৰ হয়, টান কাম উজু হয়। চিন্তাৰ অতুল প্ৰভাৱ। আগৰ কালত যোগীবিলাকে ধ্যান কৰি ভূত, ভৱিষ্যত সকলো জানিছিল আৰু কৈবল্য লাভ কৰিছিল। ধ্যান চিন্তাৰেই এটা ৰকম মাথোন। চিন্তা উদ্ৰ আৰু দীৰ্ঘকাল স্থায়ী হ'লেই ধ্যান নাম পায়। পাছে, যদি যোগীবিলাকে চিন্তাৰ বলত দূৰ্লভ কৈবল্যকেই লাভ কৰিব পাৰিছিল, সংসাৰীয়ে সংসাৰ চলাবৰ জোখেৰে জ্ঞান বুদ্ধি লাভ কৰিব নোৱাৰিবৰ কোনো কাৰণ নাই।

- (i) মনৰ জেউতি কি ? *1*
- (ii) কিহৰ গুণত আন্ধাৰ সমস্যা পোহৰ হয় ? *1*
- (iii) কিহৰ বলত যোগীবিলাকে কৈবল্য লাভ কৰিছিল ? *1*
- (iv) চিন্তাই ধ্যান নাম কেনেকৈ পায় ? *1*
- (v) সংসাৰীয়ে সংসাৰ চলাবৰ বাবে জ্ঞানবুদ্ধি কেনেকৈ লাভ কৰিব পাৰে ? *1*

(খ) চৰিত্ৰবান মানুহ পবিত্ৰ জলৰ নিচিনা। তেওঁলোক নিজেও পবিত্ৰ আৰু আনকো পবিত্ৰ কৰে। চৰিত্ৰৱন্ত মানুহক চৰিত্ৰহীন মানহে পেটে পেটে ভয় কৰে, আৰু তেওঁলোকৰ আগত বেয়াকাম কৰিবলৈ সঙ্কুঁচিত হয়। ধন আৰু বিদ্যাৰ পৰা মানুহে ক্ষমতা লাভ কৰে, কিন্তু চৰিত্ৰৰ পৰা মহত্বপ্ৰাপ্ত হয়। কুচৰিত্ৰই মানুহক পশুত্বলৈ নমায়, কিন্তু সুচৰিত্ৰই দেৱত্বলৈ তোলে। সুচৰিত্ৰ মনুষ্যত্বৰ সাৰ, এতেকে সি উন্নতিৰ মেৰুদন্ডৰ নিচিনা।

o শুদ্ধ উত্তৰটো বাছি উলিওৱা :

(i) চৰিত্ৰবান মানুহ কিহৰ নিচিনা ?

(অ) যোগীৰ নিচিনা

(আ) মহাপুৰুষৰ নিচিনা

(ই) পবিত্ৰ জলৰ নিচিনা

(ii) ধন আৰু বিদ্যাৰ পৰা মানুহে কি লাভ কৰে ?

(অ) সন্মান

(আ) ভক্তি

(ই) ক্ষমতা

(iii) চৰিত্ৰৱন্ত মানুহক কোনে ভয় কৰে ?

(অ) আদৰ্শহীন ব্যক্তিয়ে

(আ) চৰিত্ৰহীন মানুহে

(ই) মিছলীয়াই

(iv) কিহে মানুহক দেৱত্বলৈ তোলে ?

(অ) সুচৰিত্ৰই

(আ) ন্যায়পৰায়ণতাই

(ই) কৰ্ত্তব্যপৰায়ণতাই

(v) উন্নতিৰ মেৰুদন্ডৰ নিচিনা কি ?

(অ) দায়বদ্ধতা

(আ) সুচৰিত্ৰ

(ই) সহৃদয়তা

(গ) সময়ৰ মূল্য নুবুজা মানুহ দীৰ্ঘসূত্ৰী হয় । এক মুহূৰ্ত্তৰ ভিতৰত সংসাৰ লয়ক্ষয় হ'ব পাৰে, এই কথাৰ বোধ যাৰ আছে, সি কেতিয়াও ভবিষ্যৎ নিধিয়ায়, কেতিয়াও কালিলৈ কৰিম বুলি কাম থৈ নিদিয়ে । 'আলস্য কৰ্ম নহয় সিদ্ধি, বাটত আছে কণা বিধি' এই বচন মানুহে নিৰন্তৰে গায়, আৰু ইয়াৰ অৰ্থও সকলোৱে বুজে; তেও যে কিছুমান মানুহে আলচা কাম পাছলৈ সাঁচি থয় ই বৰ আচৰিত কথা । ইয়াৰ কাৰণ অৱশ্যে এলাহ । এলাহৰ দন্ডিত মানুহে কৰিব লগীয়া কাম সুচল পাইও নকৰি আগলৈ থৈ দিয়ে ।

(i) দীৰ্ঘসূত্ৰী কোন মানুহ হয় ? *1*

(অ) সময়ৰ মূল্য নুবুজা মানুহ

(আ) কামৰ প্ৰতি আগ্ৰহ নথকা মানুহ

(ই) হিতাহিত জ্ঞান নথকা মানুহ

(ii) কোনে কাম কালিলৈ কৰিম বুলি থৈ নিদিয়ে ? *1*

(অ) মুহূৰ্ত্ততে সংসাৰখন লয় হ'ব বুলি বোধ থকা মানুহে

(আ) ন্যায়পৰায়ণ ব্যক্তিয়ে

(ই) এলেহুৱা মানুহে

(iii) কিহৰ দন্ডিত মানুহে সুচল পাইও কাম আগলৈ থৈ দিয়ে ? *1*

(অ) এলাহৰ দন্ডিত

(আ) জনতাৰ দন্ডিত

(ই) শত্ৰুৰ দন্ডিত

(iv) কোন মানুহে ভৱিষ্যৎ নিধিয়ায় ? *1*

(অ) দীৰ্ঘসূত্ৰী মানুহে

(আ) সময়ৰ মূল্য বুজা মানুহে

(ই) শাল চকুৱা মানুহে

(v) 'কণা বিধি' বোলে কাক বুজিছা ? *1*

(অ) বিধাতা

(আ) মহাদেৱ

(ই) বৰুণ দেৱতা

## SECTION B

**2.** তলৰ বিষয় এটা লৈ ২০০টা মান শব্দত এখনি ৰচনা লিখা : *10*

(ক) তুমি ভালপোৱা এখনি অসমীয়া উপন্যাস

(খ) বন্যপ্ৰাণী সংৰক্ষণ

নাইবা

তলৰ ইংগিত সমূহৰ আলমত দুশটা মান শব্দত এটা গল্প জুগুতাই তাৰ শিৰোনামা দিয়া আৰু গল্পটোৰ পৰা কি নীতিশিক্ষা লাভ কৰিলা উল্লেখ কৰা :

কাউৰী এজনীয়ে এটুকুৰা মঙহ পালে — ঠোঁটত লৈ গছৰ ডালত পৰিল — খাব নে লুকাই থ'ব ভাবিবলৈ ধৰিলে — শিয়াল এটাই মঙহ টুকুৰা দেখি খোৱাৰ বুদ্ধি উলিয়ালে — কাউৰীজনীক মিঠা গীত শুনাবলৈ অনুৰোধ কৰিলে — প্ৰশংসাত উত্ৰাবল হৈ গীত গাবলৈ ঠোঁট মেলাত মঙহ টুকুৰা সৰি পৰিল — মুখত লৈ শিয়াল হাবিত সোমাল ।

3. তলৰ ফকৰা যোজনা এটাৰ অৰ্থ বুজাই লিখা : 5

(ক) হাতী মাৰি ভুৰুকাত ভৰোৱা।

(খ) তুলসীৰ লগত কলপটুৱাৰ মক্তি।

নাইবা

তুমি উপস্থিত থকা বিয়া এখনৰ বিবৰণ দি বন্ধু এজনলৈ এখনি চিঠি লিখা।

## SECTION C

4. (i) শুদ্ধ বিপৰীতাৰ্থক ৰূপটো বাছি উলিওৱা : *1×4=4*

(ক) আধুনিক — প্ৰাচীন/নবীন/প্ৰবীন

(খ) পবিত্ৰ — অপৰিস্কাৰ/মলিন/অপবিত্ৰ

(গ) অনুগ্ৰহ — আগ্ৰহ/বিগ্ৰহ/নিগ্ৰহ

(ঘ) দক্ষিণ — পূব/উত্তৰ/পশ্চিম

(ii) সঠিক উত্তৰটো বাছি উলিওৱা : *1×4=4*

(ক) যি পৰৰ ঠাইত বাস কৰে — বিদেশী/প্ৰবাসী/অনুপ্ৰৱেশকাৰী

(খ) যাৰ ওপৰত গোচৰ তৰে — গুচৰীয়া/পদকীয়া/বাদী

(গ) যি নিশা চৰে — বাদুলি/নিশাচৰ/চোৰ

(ঘ) যাৰ আগমন আহবান কৰা হয় — স্বাগত/অভ্যাগত/আদৰণীয়

(iii) তলৰ বাক্য সমূহৰ পৰা তিনিটা শুদ্ধ বাক্য বাছি উলিওৱা : *1×3=3*

(ক) তাইৰ মূৰটো বৰকৈ কামুৰিছে।
তাইৰ মূৰখন বৰকৈ বিষাইছে।

(খ) মনে কৰা কখ ৰেখা = গঘ ৰেখা।
ধৰি লোৱা, কখ ৰেখা = গঘ ৰেখা।

(গ) অলস্যতাই জীৱনৰ অধোন্নতিৰ মুল।
অলস্যই/অলসতাই জীৱনৰ অৱনতিৰ মূল।

(iv) তলৰ প্ৰত্যয় সমূহৰ শুদ্ধ ৰূপ নিৰ্ণয় কৰা : $1\times4=4$

(ক) নাহৰণি — নাহৰ+অনী/নাহৰ+আনী/নাহৰ+অনি

(খ) ধনী — ধন+ই/ধন+ঈ/ধণ+ঈ

(গ) ফন্দিয়ক — ফন্দি+অক/ফন্দি+ইয়ক/ফান্দ+ইয়ক

(ঘ) বিলনীয়া — বিল+অনিয়া/বিলা+অনীয়া/বিল+অনীয়া

## SECTION D

(i) দেৱকান্ত বৰুৱাৰ 'মোৰ দেশ মানুহৰ দেশ' কবিতাৰ মূলভাব লিখা। 5

নাইবা

তলৰ কবিতা ফাকি প্ৰসঙ্গঁ সঙ্গঁতি দৰ্শাই ব্যাখ্যা কৰা :

নাই এনে বেয়া কাম ধৰাৰ মাজত
  যাক তুমি নোৱাৰা কৰিব,
তোমাৰ নিজৰ সুখ বঢ়াবৰ বাবে
  ক'তো একো বাকী নেথাকিব।

(ii) (ক) শব্দাৰ্থ লিখা : $\frac{1}{2}\times4=2$

(অ) মৃত্যুঞ্জয়ী

(আ) নৱ

(ই) কাৰেং

(ঈ) বাৰিধি

(খ) তলৰ যিকোনো ***দুটাৰ*** চমু টোকা লিখা (দুটা বা তিনিটা বাক্যত) : $2\times2=4$

(অ) দুৰ্গেশ্বৰ শৰ্মা

(আ) কম্বোজ

(ই) শৰাইঘাট

(iii) শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা : *1×4=4*

(ক) অসমীয়া কবিতাত নাটকীয় স্বগতোক্তিৰ ৰীতি প্ৰবৰ্তন কৰিছিল :

(অ) হেম বৰুৱাই

(আ) মহেন্দ্ৰ বৰাই

(ই) দেৱকান্ত বৰুৱাই

(খ) দাৰ্শনিক আৰু আশাবাদী কবি দুৰ্গেশ্বৰ শৰ্মাৰ ওপজা গাঁও :

(অ) লাউপাৰা

(আ) উৰীয়াগাঁও

(ই) পটিয়াগাঁও

(গ) মানুহে সৃষ্টি কৰা ৰীতি-নীতিত কি বিৰাজিত ?

(অ) মানুহৰ স্বাৰ্থ

(আ) জীৱজন্তৰ মঙ্গঁল কামনা

(ই) প্ৰকৃতিৰ উন্নতিৰ বাসনা

(ঘ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতাপুথিখন :

(অ) সাদৰী

(আ) সাগৰ দেখিছা

(ই) চন্দ্ৰাৱলী

**6.** (i) প্ৰসঙ্গঁ সঙ্গাঁতি দৰ্শাই ব্যাখ্যা কৰা (এফাকি) : *5*

(ক) অসমীয়া সমাজ-সংস্কৃতিত কাঁহ শিল্পই এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে।

(খ) দৰকাৰত এষাৰ মিছা কথা ক'ব লগাহ'ল, অৱশ্যে এই মিছা নিৰ্দোষ ।

(ii) (ক) পুষ্প কঁহাৰে কেনেদৰে জেলৰ পৰা মুক্তি লাভ কৰিছিল চমুৱাই লিখা। 2

(খ) শব্দাৰ্থ লিখা : $\frac{1}{2}\times 4=2$

(অ) তাগিদা

(আ) বিশ্বায়ন

(ই) উৎকন্ঠা

(ঈ) নিৰাময়

(গ) তলৰ যিকোনো ***এটাৰ*** চমু টোকা লিখা (দুটা বা তিনিটা বাক্যত) : 2

(অ) ওজা কঁহাৰ

(আ) স্নেহ দেৱী

**7.** শুদ্ধ উত্তৰ বাছি উলিয়াই লিখা : *1×4=4*

(ক) কাঁহ শিল্পই নেপাল, ভূটান তথা তিৰ্বততো সমাদৰ লাভ কৰিছিল :

(অ) ৰুদ্ৰসিংহৰ দিনত

(আ) চক্ৰধ্বজ সিংহৰ দিনত

(ই) চন্দ্ৰকান্ত সিংহৰ দিনত

(খ) কনকাক কল্যাণী নাম দিছিল :

(অ) লেখিকাই

(আ) কইনাৰ সম্বন্ধীয়া মামীয়েকে

(ই) কইনাৰ বায়েক শুভ্ৰাই

(গ) নলী লগোৱা দীঘল লোটাক :

(অ) ভোগজৰা বোলে

(আ) গুড়গুড়ী বোলে

(ই) বানবাতি বোলে

(ঘ) অসমীয়া চুটিগল্পৰ জন্মদাতা হৈছে :

(অ) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

(আ) ৰজনীকান্ত বৰদলৈ

(ই) লক্ষ্মীনাথ বেজবৰুৱা

8. (i) তলৰ যি কোনো তিনিটা প্ৰশ্নৰ চমু উত্তৰ কৰা (প্ৰতিটো একোটা বাক্যত) : *1×3=3*

(ক) 'তুমি মোক বচালা প্ৰেৰণা' — এই কথা কোনে, কিয় কৈছিল ?

(খ) প্ৰেৰণাক চাৰিশ টকীয়া বৃত্তি কিয় দিয়া হৈছিল ?

(গ) পুলৰ পানীত পৰি যোৱা কাক প্ৰেৰনাই উদ্ধাৰ কৰিছিল ?

(ঘ) 'ঈশ্বৰে আপোনাৰ মঙ্গঁল কৰক' — কোনে, কাৰ মঙ্গঁল কামনা কৰিছে ?

(ii) চমু টোকা লিখা (যিকোনো এজনৰ) : *2*

(ক) ৰত্নকান্ত

(খ) মিলিটাৰী পোছাকৰ তামোলৰ দোকানী

www.care